# সাহিত্য অকাদেমিৰ অসমীয়া যুৱ সাহিত্য বিষয়ক ৱেবিনাৰ সম্পন্ন

দিখৌমুখ ঃ নিজা প্ৰতিবেদক, ৩ নৱেম্বৰ ঃ আজি সাহিত্য অকাদেমিৰ বাৰ্ষিক যুৱ সাহিতি অনুষ্ঠান সম্পন্ন হৈ যায়। কভিড ১৯ ৰ প্ৰতি লক্ষ্য ৰাখি অনুষ্ঠানটো অনলাইন ৱেবিনাৰ যোগে আয়োজন কৰা হয়। জুম ক্লাউড যোগে অনুষ্ঠিত সভাখন সঞ্চালনা কৰে সাহিত্য অকাদেমি কলকাতা কাৰ্যালয়ৰ সচিব দেৱেন্দ্ৰ দেৱেশে। অনুষ্ঠানটোত অংশ গ্ৰহণ কৰে তৰুণ সমালোচক লেখক ভাস্কৰজ্যোতি নাথ, গল্পকাৰ জুৰি বৰা, কবি বিভাৰাণী তালুকদাৰ আৰু কবি উৎপল ডেকা। নবীন সমালোচক ভাস্কৰজ্যোতি নাথে অসমীয়া সাহিত্যৰ নবীন প্ৰজন্মৰ গল্পৰ ধাৰা আৰু বৈশিষ্ট্যৰ ওপৰত আলোকপাত কৰি কয় যে অসমীয়া গল্পৰ আংগিক আৰু বিষয় উভয়তে নবীন গল্পকাৰসকলে নতুনত্বৰ সূচনা কৰিছে। সমসাময়িক সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ সমান্তৰালভাৱে উত্তৰ আধুনিক চিন্তাইয়ো সাম্প্ৰতিক নবীন প্ৰজন্মৰ গল্পত প্ৰভাৱ পেলাইছে বুলি তেওঁ মন্তব্য কৰে। অসমীয়া গল্প সাহিত্যলৈ সংকট অহা নাই বুলি সমালোচকজনে দোহাৰে। অনুষ্ঠানটিত গল্পকাৰ জুৰি বৰাই তেওঁৰ 'প্ৰাক্তন' শীৰ্ষক গল্পটি পাঠ কৰে। গল্পটোত জুৰি বৰাই সাম্প্ৰতিক লকডাউনৰ আঁত ধৰি মানৱীয় সম্পৰ্ক, প্ৰেম আদি বিষয়ৰ এখন সাৱলীল চিত্ৰ অংকন কৰিছে আৰু দৰ্শকৰো সমাদৰ বুটলিবলৈ সক্ষম হয়। কবি বিভাৰাণী তালুকদাৰে 'বহিৰাগত', 'ভাৱ জোটনি', 'মাস্ক'কে ধৰি কেইটামান কবিতা পাঠ কৰে। তালুকদাৰে 'ভাৱ জোঁটনি' শীৰ্ষক কবিতাত কবিৰ কাব্য সাধনাৰ আৰু সৃষ্টিৰ এখন ছবি উপস্থাপন কৰে। কবি উৎপল ডেকায়ো কবিতা আবৃত্তি কৰে। তেওঁৰ 'কৰ্পৰেট', 'সাম্প্ৰদায়িক' শীৰ্ষক কবিতাকেইটাত সমসাময়িক সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰে। অকাদেমিৰ সচিব দেৱেন্দ্ৰ দেৱেশে কয় যে কবিতাৰ সকলো শাখাৰে ৰসাস্বাদন কৰিবলৈ সক্ষম হোৱা এনে অনুষ্ঠান উপভোগ্য আৰু এই আনন্দ এখন বাতৰি কাকত পঢ়াৰ দৰে। কাকতত ভিন্ন শিতানৰ সোৱাদ পোৱাৰ দৰে এনে অনুষ্ঠানতো সাহিত্যৰ কেইবাটাও শাখাৰ ৰসাস্বাদন সম্ভৱ হৈছে বুলি সচিবগৰাকীয়ে মন্তব্য কৰে। শেষত সচিব দেৱেন্দ্ৰ দেৱেশে সকলোকে ধন্যবাদ জনাই অনুষ্ঠানটি সামৰণি মাৰে।